# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 05-07-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

HEADLINE

১। পাঁচ দেশীয় ভ্ৰমণসূচীৰ তৃতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰ্জেণ্টিনাৰ ৰাজধানী বুয়েন'ছ আয়াৰ্ছত উপস্থিত হৈছে।

২। ২০৪৭ চনৰ ভিতৰত ভাৰতক ৩২ ট্ৰিলিয়ন ডলাৰ অৰ্থনীতিলৈ ৰূপান্তৰ কৰাৰ উদ্দেশ্যে কৌশলগতভাৱে নীতি নিৰ্ধাৰণ কৰা হৈছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে মতপ্ৰকাশ কৰিছে।

৩। বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জ্যেষ্ঠ নেতা লালু প্ৰসাদ যাদৱে ত্ৰয়োদশবাৰৰ বাবে ৰাষ্ট্ৰীয় জনতাদলৰ সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰলৈ ৰপ্তানি কৰা সামগ্ৰীৰ ক্ষেত্ৰত বিভিন্ন স্তৰত আৰোপ কৰা শুল্ক সন্দৰ্ভত ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ১২ খন দেশলৈ পত্ৰ প্ৰেৰণ কৰিছে বুলি ঘোষণা কৰিছে।

*আৰু*

৫। এজবেষ্টন টেষ্টত ভাৰতে আজি চতুৰ্থ দিনা কালি এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৬৪ ৰাণৰ পৰা খেল আৰম্ভ কৰি  ইংলেণ্ডৰ বিৰুদ্ধে ৪২৪ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

পাঁচ দেশীয় ভ্ৰমণসূচীৰ তৃতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰ্জেণ্টিনাৰ ৰাজধানী বুয়েন'ছ আয়াৰ্ছত উপস্থিত হৈছে। আৰ্জেণ্টিনাত প্ৰধানমন্ত্ৰী মোদীক প্ৰবাসী ভাৰতীয়সকলে বিশেষ শাস্ত্ৰীয় নৃত্যৰে আদৰণি জনায়। শ্ৰীমোদীয়ে আৰ্জেণ্টিনাৰ প্ৰসিদ্ধ স্বাধীনতা সংগ্ৰামী তথা জাতীয় নায়ক জেনেৰেল জোছ ডে ছেন মাৰ্টিনৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ ভ্ৰমণ আৰম্ভ কৰিব। আনুষ্ঠানিক অভ্যৰ্থনাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উভয় দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব অধিক সুদৃঢ় কৰাৰ লগতে সহযোগিতাৰ নতুন ক্ষেত্ৰৰ অন্বেষণ কৰাৰ উদ্দেশ্যে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়ো দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰাৰ উপৰি বাণিজ্য আৰু বিনিয়োগ, স্বাস্থ্য আৰু ভেষজ, প্ৰতিৰক্ষা আৰু সুৰক্ষা, আন্তঃগাঁথনি, খনন আৰু খনিজ সম্পদ, কৃষি আৰু খাদ্য সুৰক্ষা, সেউজ শক্তি, তথ্য যোগাযোগ প্ৰযুক্তি আৰু ডিজিটেল উদ্ভাৱন, দুৰ্যোগ ব্যৱস্থাপনা, বিজ্ঞান আৰু প্ৰযুক্তি, শিক্ষা আৰু জন সম্পৰ্ককে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ নতুন পথ মুকলি কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ পূৰ্বে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ অৱসৰত যোৱা নৱেম্বৰত প্ৰধানমন্ত্ৰী মোদী আৰু আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়েৰ মাইলি আলোচনাত মিলিত হৈছিল। প্ৰধানমন্ত্ৰী ২০১৮ চনত

জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আৰ্জেণ্টিনালৈ গৈছিল যদিও এয়া হৈছে বিগত ৫৭ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ দেশখনলৈ প্ৰথম দ্বিপাক্ষিক ভ্ৰমণ।

পাঁচদেশীয় যাত্ৰালৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰ্জেণ্টিনাক লেটিন আমেৰিকাত ভাৰতৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সহযোগী আৰু জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ অন্যতম ঘনিষ্ঠ অংশীদাৰ বুলি অভিহিত কৰিছিল।

আৰ্জেণ্টিনা ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী ৰিঅ' ডি জেনেৰিঅ'ত হ'বলগীয়া ব্ৰিকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ব্ৰাজিললৈ যাব। পাঁচদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰীয়ে নামিবিয়ালৈ যাব।

ooooo

২০৪৭ চনৰ ভিতৰত ভাৰতৰ অৰ্থনীতি চাৰি ট্ৰিলিয়ন ডলাৰৰ পৰা ৩২ ট্ৰিলিয়ন ডলাৰলৈ ৰূপান্তৰ কৰাৰ উদ্দেশ্যে কৌশলগতভাৱে নীতি নিৰ্ধাৰণ কৰা হৈছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে মতপ্ৰকাশ কৰিছে। বাংগালুৰুত আজি আই আই টি মাদ্ৰাজৰ সংগম ২০২৫ শীৰ্ষক গোলকীয় উদ্ভাৱন আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলৰ শীৰ্ষ সন্মিলনত অংশ লৈ তেওঁ এইদৰে কয়। শ্ৰী গোৱেলে কয়, যে চৰকাৰৰ দূৰদৰ্শী নীতিৰ বাবে ইতিমধ্যে ভাৰত বিশ্বৰ পঞ্চম সৰ্বোচ্চ অৰ্থনীতি হিচাপে পৰিচিত হৈছে আৰু ২০২৮ চনৰ ভিতৰ বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব। ভাৰত সম্প্ৰতি বিশ্বৰ সবাটোকৈ দ্ৰুত বিকশিত অৰ্থনীতি বুলি শ্ৰী গোৱেলে উল্লেখ কৰে। তেওঁ লগতে কয়, যে চৰকাৰৰ নীতি আৰু ইয়াৰ কাৰ্যসূচীসমূহৰ বাবে ভৱিষ্যতৰ ভাৰত প্ৰযুক্তি আধাৰিত ভাৰত হিচাপে গঢ় লৈ উঠাৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং আৰু প্ৰযুক্তিগত খণ্ডতো ভাৰতে নেতৃত্ব প্ৰদান কৰিব। উদ্ভাৱনৰ ক্ষেত্ৰখনক বিকশাই তোলাৰ বাবে চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে আলোকপাত কৰি শ্ৰী গোৱেলে কয়, যে দীপটেক ব্যৱস্থাক বিকশিত কৰি তোলাৰ বাবে বাজেটত ১০ হাজাৰ কোটি টকাৰ অনুমোদন দিয়া হৈছে। তদুপৰি উদ্ভাৱন আৰু প্ৰযুক্তিগত খণ্ডত সমৰ্থন আগবঢ়াই যোৱাৰ উদ্দেশ্যে অতিৰিক্ত ১০ হাজাৰ কোটি টকা অনুমোদন দিয়া হৈছে বুলি তেওঁ কয়। বিগত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ বাবে এক লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে বুলিও শ্ৰী গোৱেলে উল্লেখ কৰে। প্ৰযুক্তিগত উদ্ভাৱনক উৎসাহিত কৰাৰ উদ্দেশ্যে অহা ৫০ বছৰৰ বাবে সুদ বিহীন ঋণ হিচাপে এই ধনৰ অনুমোদন জনোৱা হৈছে।

ooooo

জ্যেষ্ঠ নেতা তথা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালু প্ৰসাদ যাদৱে ত্ৰয়োদশবাৰৰ বাবে ৰাষ্ট্ৰীয় জনতাদলৰ সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছে। সৰ্বসন্মতভাৱে নিৰ্বাচিত হোৱাৰ পাছত পাটনাত অনুষ্ঠিত ৰাষ্ট্ৰীয় জনতাদলৰ পৰিষদীয় বৈঠকত তেওঁ এই দায়িত্ব গ্ৰহণ কৰে। উল্লেখযোগ্য যে ১৯৯৭ চনৰ ৫ জুলাইত জনতা দলৰ পৰা ফাটি গৈ ৰাষ্ট্ৰীয় জনতা দল গঠন হৈছিল।

ooooo

কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আয়ে উত্তৰ প্ৰদেশৰ ছম্বলত কৰ্মৰত উত্তৰ ৰেলৱেৰ এজন সহকাৰী মাণ্ডলিক অভিযন্তা আৰু তেওঁৰ তলতীয়া কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকে এজন লোকৰ পৰা উৎকোচ লৈ থকা অৱস্থাত গ্ৰেপ্তাৰ কৰা হয়। চি বি আয়ে জাৰি কৰা এখন বিবৃতি অনুসৰি লোক দুজনৰ বিৰুদ্ধে এটা ব্যক্তিগত কোম্পানীৰ অনাদায় হৈ থকা এখন বিল মোকলাই দিয়াৰ বাবদ দুই শতাংশ ধন উৎকোচ হিচাপে গ্ৰহণ কৰিছিল বুলি

অভিযোগ উত্থাপিত হৈছিল। চি বি আইৰ দলটোৱে লাভ কৰা অভিযোগ অনুসৰি চলোৱা অভিযানত দুয়োজন অভিযুক্তকে ৩৪ হাজাৰ টকা উৎকোচ গ্ৰহণ কৰি থকা অৱস্থাতে হাতেলোটে ধৰা পেলোৱা হয়।

00000

আমেৰিকা যুক্তৰাষ্ট্ৰলৈ ৰপ্তানি কৰা সামগ্ৰী ক্ষেত্ৰত বিভিন্ন স্তৰত আৰোপ কৰা শুল্ক সন্দৰ্ভত আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ১২ খন দেশলৈ পত্ৰ প্ৰেৰণ কৰিছে বুলি ঘোষণা কৰিছে। তেওঁ এই প্ৰস্তাৱক গ্ৰহণ কৰক নাইবা ত্যাগ কৰক সুযোগ হিচাপে অভিহিত কৰিছে। অহা সোমবাৰে এই প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ব। এই পত্ৰসমূহত ভিন ভিন শুল্ক, দৰ আৰু ৰাশি অন্তৰ্ভুক্ত কৰা হৈছে বুলি ট্ৰাম্পে সংবাদ মাধ্যমৰ আগত জনায়। তেওঁ কোনো কোনো ক্ষেত্ৰত এই শুল্ক ৭০ শতাংশলৈকে বৃদ্ধি হ'ব বুলি সংকেত দিয়াৰ লগতে অহা ১ আগষ্টৰ পৰা এই শুল্ক কাৰ্যকৰী হ'ব পাৰে বুলি আভাস দিয়ে। যোৱা এপ্ৰিলত ট্ৰাম্পে অধিকাংশ আমদানিকৃত সামগ্ৰীতে ১০ শতাংশ শুল্ক আৰোপ কৰিছিল। চীনকে ধৰি আন কেইবাখনো দেশৰ সামগ্ৰীত এই উচ্চ হাৰৰ শুল্ক আৰোপ কৰা হৈছে। অৱশ্যে ৯ জুলাইলৈকে অস্থায়ীভাৱে এই উচ্চ হাৰৰ শুল্ক স্থগিত ৰখা হৈছিল। ব্ৰিটেইন আৰু ভিয়েটনামৰ সৈতে আমেৰিকাই ইতিমধ্যে বাণিজ্যিক চুক্তিক চূড়ান্ত ৰূপ দিছে। এতিয়ালৈকে ভাৰতে এই সন্দৰ্ভত কোনো ধৰণৰ চুক্তি কৰা নাই। ভাৰতৰ কৃষি আৰু দুগ্ধজাতীয় সামগ্ৰীৰ বজাৰত প্ৰৱেশৰ সুবিধা প্ৰদানৰ বাবে আমেৰিকাই বিশেষ দাবী জনাই আহিছে যদিও ইয়াৰ ফলত ক্ষুদ্ৰ কৃষকসকলৰ ওপৰত পৰিব পৰা প্ৰভাবৰ বাবে ভাৰতে ইয়াক অতি সংবেদনশীল বিষয় হিচাপে গণ্য কৰি আহিছে। ৯ জুলাইৰ পূৰ্বে আভ্যন্তৰীণ বুজাবুজিৰ জৰিয়তে ট্ৰাম্পে প্ৰস্তাৱ দিয়া ২৬ শতাংশ শুল্ক ভাৰতে পৰিহাৰ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰিছে। বস্ত্ৰ আৰু জোতাৰ দৰে সামগ্ৰী ৰপ্তানিৰ ক্ষেত্ৰতো শুল্ক হ্ৰাস কৰাৰ বাবে ভাৰতে অনুৰোধ জনাইছে। অৱশ্যে ভাৰতে সময়সীমাৰ হেঁচাত হুৰমুৰকৈ কোনো ধৰণৰ সিদ্ধান্ত গ্ৰহণ নকৰে বুলি বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাষ্ট্ৰীয় হিতৰ কথা চিন্তা কৰিলে দেশে যিকোনো ধৰণৰ চুক্তিত স্বাক্ষৰ কৰিব।

00000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ন্যায় বিভাগে পলাতক অৰ্থনৈতিক অপৰাধী নীৰৱ মোদীৰ ভাতৃ নেহাল মোদীক কালি আমেৰিকান প্ৰশাসনে গ্ৰেপ্তাৰ কৰা বুলি ভাৰতক অৱগত কৰিছে। বিধি বলৱৎকাৰী সঞ্চালকালয় আৰু কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে যুটীয়াভাৱে প্ৰত্যাপৰ্নৰ বাবে অনুৰোধ জনোৱাৰ পাছত তেওঁক গ্ৰেপ্তাৰ কৰা হয়। বিধি বলৱৎকাৰী সঞ্চালকালয়ে কৈছে, যে আমেৰিকাৰ ন্যায় ব্যৱস্থাত দাখিল কৰা অভিযোগ অনুসৰি দুটা গোচৰত নেহাল মোদীৰ প্ৰত্যাপৰ্নৰ বিচাৰ প্ৰক্ৰিয়া চলাই থকা হৈছে। ক'লা ধন বৈধ কৰণ আৰু অপৰাধমূলক ষড়যন্ত্ৰ এই দুটা গোচৰত বিচাৰ প্ৰক্ৰিয়া চলি আছে। ভাৰতত পাঞ্জাব নেচনেল বেংকৰ কেইবা কোটি ডলাৰৰ জালিয়াতিৰ গোচৰত নেহাল মোদীক বিচাৰি থকা হৈছে। ই ডি আৰু চি বি আইৰ তদন্তত নেহাল মোদী নীৰব মোদীৰ অবৈধ ধনৰ লেনডেন সংক্ৰান্তীনয় অপৰাধৰ এজন মূল ষড়যন্ত্ৰকাৰি আছিল বুলি জানিব পৰা গৈছিল। নীৰৱ মোদী সম্প্ৰতি ব্ৰিটেইনত আছে আৰু তেওঁৰ প্ৰত্যাৰ্পনৰ বিচাৰ প্ৰক্ৰিয়াও অব্যাহত আছে।

00000

বেইজিঙত অনুষ্ঠিত পেৰা আৰ্চাৰী এছিয়ান চেম্পিয়নশ্বিপত ভাৰতীয় পেৰা ধনুৰ্বিদে আজি দুটা সোণৰ পদক অৰ্জন কৰে। ইয়াৰ ফলত ভাৰতৰ মুঠ পদকৰ সংখ্যা সাতলৈ বৃদ্ধি পালে। শীতল দেৱী আৰু জ্যোতিক লৈ গঠিত ভাৰতীয় কম্পাউণ্ড দলটোৱে চীনৰ দলটোক ১৪৮-১৪৩ ফলাফলত পৰাজিত কৰি সোণৰ পদক হস্তগত

কৰে। হৰবিন্দৰ সিং আৰু ভাবনাই মিক্স ৰিকাৰ্ভ শাখাত ৫-৪ ফলাফলত জয়লাভ কৰি আনটো সোণৰ পদক অৰ্জন কৰে। ইপিনে ভাৰতে  পুৰুষৰ ৰিকাৰ্ভ অ'পেন, কম্পাউণ্ড অ'পেন আৰু মিক্সড কম্পাউণ্ড অ'পেন শিতানত তিনিটা ৰূপৰ পদক লাভ কৰে। ৰাকেশ কুমাৰে পুৰুষ কম্পাউণ্ড শাখাৰ দলীয় শিতানত শ্যাম সুন্দৰ স্বামী আৰু মিক্সড ডাবলছ্ শিতানত জ্যোতিৰ সৈতে খেলি দুটা ৰূপৰ পদক অৰ্জন কৰে।

০০০০০

এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ আজি চতুৰ্থ দিনা আলহী দল ভাৰতে কালি এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৬৪ ৰাণৰ পৰা খেল আৰম্ভ কৰি এই বাতৰি যুগুটোৱাৰ পৰলৈকে চাৰিটা উইকেটৰ বিনিময়ত ২৪৯ ৰান কৰি খেলি আছে। ভাৰতে সামগ্ৰিকভাৱে ৪২৯ ৰানৰ অগ্ৰগতি লাভ কৰিছে। সম্প্ৰতি সুভমন গীলে ৬৭ আৰু ৰবীন্দ্ৰ জাদেজাই ৪ ৰান কৰি বেট ধৰি আছে।

ইংলেণ্ডে প্ৰথম ইনিংছত ৪০৭ ৰানত আটাইকেইটা উইকেট হেৰুওৱাত আলহী দলটোৱে প্ৰথম ইনিংছত ১৮০ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ